Volume: 5 Issue: 6 Pages: 130-132




# অসমীয়া উপন্যাসত নাৰীবাদী চেতনাঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

*[1] মিথন ৰয়

*[1] সহকাৰী অধ্যাপক, ৰুকাচেন মহাবিদ্যালয়। বকলীয়া, কাৰ্বিআংলং, অসম, ভাৰত

**Article Info.**
**E-ISSN:** 2583-6528
**Impact Factor (QJIF):** 8.4
**Peer Reviewed Journal**
**Available online:**
www.alladvancejournal.com

**Received:** 19/May/2026
**Accepted:** 25/June/2026

*Corresponding Author
**মিথন ৰয়**
সহকাৰী অধ্যাপক, ৰুকাচেন মহাবিদ্যালয়। বকলীয়া, কাৰ্বিআংলং, অসম, ভাৰত

**Abstract**
নাৰীবাদ (Feminism): কেৱল চিন্তা বা অনুভূতিতে সীমাবদ্ধ নহয়; ই এক সংগঠিত সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, আৰু বৌদ্ধিক জীৱনদৰ্শন বা আন্দোলন। ইংৰাজী 'Feminism' শব্দটো ফৰাছী ১ ২ ৩ ৪ ৫ ৬ ৭ ৮ ৯ ১০শব্দ 'Féminisme' ৰ পৰা আহিছে। অক্সফৰ্ড অভিধানৰ তথ্য অনুসৰি, ১৮৫০ খ্ৰীষ্টাব্দত ইংৰাজীত এই শব্দৰ প্ৰথম ব্যৱহাৰ হৈছিল আৰু বৰ্তমানৰ অৰ্থত ১৮৯৫ খ্ৰীষ্টাব্দৰ পৰাহে ইয়াৰ বহুল প্ৰচলন ঘটে। নাৰীবাদী চিন্তাবিদ জন্ ছাৰ্ভেৰ (John Charvet) মতে, "নাৰীৰ পুৰুষৰ সৈতে সমতাৰ ধাৰণা বা ভাবেই হ'ল নাৰীবাদ"। মূল্য বা গুৰুত্বৰ পিনৰ পৰা নাৰী আৰু পুৰুষৰ মাজত কোনো প্ৰভেদ নাই; সমাজত লিংগৰ ভিত্তিত ভেদাভেদ নাথাকি সকলোৰে সম-মানৰ সত্তা হিচাপে স্বীকৃতি পোৱাটোৱেই নাৰীবাদৰ মূল সাৰকথা। অসমীয়া সাহিত্যৰ ইতিহাসত উপন্যাস এক শক্তিশালী মাধ্যম হিচাপে পৰিগণিত হৈ মানৱ জীৱনৰ গভীৰ সত্য আৰু সামাজিক দ্বন্দ্বক প্ৰতিফলিত কৰি আহিছে। উনবিংশ শতিকাৰ শেষৰ দশকৰ পৰা আৰম্ভ কৰি একবিংশ শতিকাৰ সাম্প্ৰতিক কাললৈকে অসমীয়া উপন্যাসৰ গতিধাৰাত নাৰীৰ স্থিতি, অধিকাৰ আৰু প্ৰতিবাদী চেতনাৰ বিকাশ এক তাৎপৰ্যপূৰ্ণ দিশ। পুৰুষতান্ত্ৰিক সমাজৰ নীতি-নিয়ম, লিংগভিত্তিক বৈষম্য, সংস্কাৰ, বৈধব্যৰ যন্ত্ৰণা, আৰু সামাজিক নিৰ্যাতনৰ বিপৰীতে নাৰীৰ আত্ম-জাগৰণ আৰু মুক্তিৰ সন্ধান অসমীয়া ঔপন্যাসিকসকলৰ ৰচনাত বিশিষ্ট ৰূপত প্ৰকাশ পাইছে। প্ৰাৰম্ভিক পৰ্যায়ৰ পদ্মনাথ গোহাঞি বৰুৱাৰ 'ভানুমতী', ৰজনীকান্ত বৰদলৈৰ 'মিৰিজীয়ৰী' আৰু 'ৰহদৈ লিগিৰী', দণ্ডিনাথ কলিতাৰ 'সাধনা' আদিৰ পৰা আৰম্ভ কৰি বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'প্ৰতিপদ', ভবেন্দ্ৰ নাথ শইকীয়াৰ 'অন্তৰীপ', আৰু বিশেষকৈ মহিলা ঔপন্যাসিকা চন্দ্ৰপ্ৰভা শইকীয়ানীৰ 'পিতৃভিঠা', মামণি ৰয়ছম গোস্বামীৰ 'নীলকণ্ঠী ব্ৰজ' আৰু 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা', নিৰুপমা বৰগোহাঞিৰ 'অভিযাত্ৰী' আৰু 'অন্য জীৱন', ৰীতা চৌধুৰীৰ 'দেওলাংখুই' আদি উপন্যাসৰ মাজেৰে নাৰীবাদী চেতনাৰ ক্ৰমবিকাশ ঘটিছে। এই গৱেষণা পত্ৰখনত ঐতিহাসিক আৰু সমাজতাত্ত্বিক দৃষ্টিকোণৰ পৰা অসমীয়া উপন্যাসত ফুটি উঠা নাৰীবাদী চেতনা, ব্যক্তিবাদ, সংস্কাৰমুখী আন্দোলন আৰু পুৰুষতান্ত্ৰিকতাৰ বিৰুদ্ধে গঢ়ি উঠা প্ৰতিবাদৰ এটি বিস্তৃত আৰু তুলনামূলক বিশ্লেষণ আগবঢ়োৱা হৈছে।

**Keywords:** অসমীয়া উপন্যাস, নাৰীবাদী চেতনা, পুৰুষতন্ত্ৰ, সামাজিক সংস্কাৰ।

## 1. Introduction

সাহিত্য মানৱ সমাজ আৰু জীৱনৰ দাপোণস্বৰূপ। কবিতা, নাটক, চুটিগল্প আদি বিভিন্ন অংগৰ মাজত উপন্যাস হৈছে এনে এক বিশেষ সৃষ্টিশীল মাধ্যম যাৰ পৰিসৰ অত্যন্ত বিস্তৃত আৰু য'ত মানৱ জীৱনক পূৰ্ণ ৰূপত আৰু গভীৰ বাস্তৱতাৰ মাজেৰে তুলি ধৰাৰ অপৰিসীম থলী বিদ্যমান। ঔপন্যাসিকে সমাজৰ বাস্তৱ ঘটনাক কেৱল পোনপটীয়াকৈ দাঙি ধৰাই নহয়, কলাত্মক অনুভূতি আৰু কল্পনাৰ মসৃণ পৰশেৰে মানৱ জীৱনৰ উদ্দেশ্যহীন বিশৃংখলতাক এটি উদ্দেশ্যমুখী আৰু সুশৃংখল সাঁচত গঢ় দিয়ে। সেয়েহে উপন্যাসৰ পাতত অংকিত জীৱন অধিক আকৰ্ষণীয়, স্বাভাৱিক আৰু জীৱন্ত হৈ উঠে। বিশিষ্ট সাহিত্য সমালোচক বীৰেণ বৰকটকীয়ে তেওঁৰ 'সাহিত্যৰ পটভূমি' গ্ৰন্থত উল্লেখ কৰিছে যে সাহিত্যৰ অন্যান্য শাখাৰ দৰে উপন্যাসো এক গতিশীল জীৱনৰ স্থিতিমান মুহূৰ্তৰ প্ৰকাশ। ঔপন্যাসিকে নিজৰ কলাসম্পন্ন মনেৰে জীৱনৰ সত্যক প্ৰকাশ কৰি নিজে উপভোগ কৰাৰ লগতে পাঠককো এক গভীৰ ৰসাস্বাদনৰ অংশীদাৰ কৰায়। একেদৰে ড° সত্যেন্দ্ৰনাথ শৰ্মাই 'অসমীয়া উপন্যাসৰ ভূমিকা'ত লিখিছে—

"এটা বিশ্বাসযোগ্য কাহিনী, পৰিচিত নৰ-নাৰী, সমাজৰ বাস্তৱ সমস্যা আৰু মানুহৰ হৃদয়বেদনা আৰু আকাংক্ষাই যেতিয়া সুগঠিত, সুসংহত ৰূপত প্ৰকাশ লাভ কৰে তেতিয়াহে উপন্যাসৰূপে অভিহিত কৰা হয়।" ধীৰ-মন্থৰ বিশ্লেষণ আৰু পল্লৱিত কথা বিস্তাৰ উপন্যাস শিল্পৰ অন্যতম মূল বৈশিষ্ট্য।

অসমীয়া সাহিত্যৰ বুৰঞ্জীত উপন্যাস পাশ্চাত্য সাহিত্যৰ প্ৰভাৱত জন্ম লোৱা এক আধুনিক ধাৰা। ১৮২৬ চনৰ ঐতিহাসিক ইয়াণ্ডাবু সন্ধিৰ পাছত ব্ৰিটিছ শাসনৰ সূচনা আৰু আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকলৰ অসম আগমনৰ ফলস্বৰূপে অসমত আধুনিক শিক্ষা, ছপাশাল আৰু সাহিত্য-সংস্কৃতিৰ এক নতুন দিগন্ত উন্মোচিত হয়। ১৮৪৬ চনত শিৱসাগৰৰ মিছন প্ৰেছৰ পৰা প্ৰকাশিত 'অৰুণোদয়' আলোচনী আৰু পৰৱৰ্তী কালৰ সৃষ্টিশীল প্ৰচেষ্টাসমূহৰ মাজেৰে অসমীয়া কথাসাহিত্যই অগ্ৰগতি লাভ কৰে। ড° নাথান ব্ৰাউনৰ 'যাত্ৰিকৰ যাত্ৰা' (জন বনিয়ানৰ পিলগ্ৰীমছ প্ৰগ্ৰেছৰ অনুবাদ) আৰু এ. কে. গাৰ্নীৰ 'কামিনীকান্ত' (১৮৭৭) আদি আছিল অসমীয়া উপন্যাসৰ প্ৰস্তুতিপৰ্বৰ গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি।

## 2. অসমীয়া উপন্যাসৰ উন্মেষকাল আৰু নাৰী চেতনাৰ প্ৰাৰম্ভিক বিকাশ

উনবিংশ শতিকাৰ শেষ দশকত পদ্মনাথ গোহাঞি বৰুৱাৰ 'ভানুমতী' (১৮৯১) আৰু 'লাহৰী' (১৮৯২) প্ৰকাশৰ লগে লগে অসমীয়া মৌলিক উপন্যাসৰ নিৰৱচ্ছিন্ন যাত্ৰা আৰম্ভ হয়। পদ্মনাথ গোহাঞি বৰুৱাৰ 'ভানুমতী' আছিল প্ৰথমখন উপন্যাস য'ত পোনপ্ৰথমবাৰৰ বাবে বাস্তৱতা আৰু ব্যক্তিবাদী জীৱনবোধ স্পষ্টভাৱে প্ৰতিফলিত হৈছিল। ড° গোবিন্দ প্ৰসাদ শৰ্মাৰ মতে, পদ্মনাথ গোহাঞি বৰুৱাৰ 'ভানুমতী' এইবাবেই প্ৰথম অসমীয়া উপন্যাস যে ইয়াত পোন প্ৰথমবাৰৰ বাবে কাহিনীটিত নতুন অৰ্থৰ বাস্তৱতা আৰু ব্যক্তিবাদ ধৰা পৰিছিল।

প্ৰাৰম্ভিক পৰ্যায়ৰ উপন্যাসসমূহত নাৰীৰ জীৱন, প্ৰেম, বিৰহ আৰু সামাজিক বাধ্যবাধকতাক মূল বিষয় হিচাপে গ্ৰহণ কৰা হৈছিল। ১৮৫৪ চনতে পদ্মমাৱতী দেৱী ফুকননীয়ে ৰচনা কৰা 'সুধৰ্মাৰ উপাখ্যান' আছিল নাৰী প্ৰতিভাৰ প্ৰথম নিদৰ্শন, যদিও ইয়াত সম্পূৰ্ণ উপন্যাসৰ আধুনিক শিল্পৰীতি বা ব্যক্তিবাদ স্পষ্ট নাছিল। পৰৱৰ্তী কালত ৰজনীকান্ত বৰদলৈৰ 'মিৰিজীয়ৰী' (১৮৯৪)ত মিচিং সমাজৰ পটভূমিত পানেই আৰু জঙ্কিৰ প্ৰেম আৰু সামাজিক বাধা-নিষেধৰ বলি হোৱা নাৰীৰ কৰুণ ভাগ্য চিত্ৰিত হৈছে। বৰদলৈৰ আন এক মাইলৰ খুঁটিস্বৰূপ উপন্যাস হ'ল 'ৰহদৈ লিগিৰী' (১৯৩০)। আহোম ৰাজত্বৰ শেষ সময়ছোৱাৰ পটভূমিত ৰচিত এই উপন্যাসখনত ৰজা চন্দ্ৰকান্ত সিংহৰ কামনাৰ বলি হোৱা ৰহদৈয়ে নিজৰ পৱিত্ৰ প্ৰেম আৰু আত্মমৰ্যাদা ৰক্ষাৰ বাবে ৰাজসুখ ত্যাগ কৰি পলাই আহে। যেতিয়া সংস্কাৰাচ্ছন্ন সমাজে তাইক গ্ৰহণ নকৰিলে, তেতিয়া তাই কৃষ্ণদাসীৰ বেশ ধৰি নিজৰ ৰূপ-লাৱণ্যক লুকুৱাই এক স্বাধীন আৰু আত্মনিৰ্ভৰশীল জীৱন বাছি লয়। ৰহদৈৰ এই স্থিতিয়ে পুৰুষতান্ত্ৰিক ভোগবাদী দৃষ্টিভংগীৰ বিৰুদ্ধে এক মৌন কিন্তু গভীৰ নাৰীবাদী প্ৰতিবাদ হিচাপে ধৰা দিয়ে।

## 3. কুৰি শতিকাৰ প্ৰথমাৰ্ধঃ নাৰী শিক্ষা আৰু সমাজ সংস্কাৰমুখী চেতনা

কুৰি শতিকাৰ দ্বিতীয় আৰু তৃতীয় দশকত অসমীয়া সমাজলৈ পাশ্চাত্য শিক্ষা আৰু স্বাধীনতা আন্দোলনৰ জোৱাৰ আহে। এই সময়ছোৱাত স্নেহলতা ভট্টাচাৰ্যই 'বীণা' (১৯২৬) আৰু 'বেমেজালি' (১৯২৭) উপন্যাসত হিন্দু উচ্চ শ্ৰেণীৰ সমাজখনত প্ৰচলিত বাল্যবিবাহ আৰু বাল্য বিধৱাসকলৰ অসহনীয় দুখ-দুৰ্দশাক তুলি ধৰে। দণ্ডিনাথ কলিতাৰ 'সাধনা' (১৯২৮) অসমীয়া সাহিত্যৰ এক গুৰুত্বপূৰ্ণ সামাজিক-ৰাজনৈতিক উপন্যাস। ইয়াত পাশ্চাত্য শিক্ষাৰ প্ৰভাৱ আৰু স্ত্ৰী-শিক্ষা বিস্তাৰৰ আদৰ্শ প্ৰতিফলিত হৈছে। নায়িকা প্ৰভাৱতীয়ে পুৰুষতান্ত্ৰিক পৰম্পৰাগত বিয়াৰ বান্ধোনৰ বিপৰীতে সমাজ সেৱা আৰু স্ত্ৰী-শিক্ষাৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰি একাকী জীৱন বাছি লয়। গোবিন্দ প্ৰসাদ শৰ্মাই সাধনা উপন্যাসৰ মূল্যায়ন কৰি কৈছে— "প্ৰভাই এটা আদৰ্শৰ অনুধাৱনত এটি একাকী জীৱন বাছি ল'লে, আৰু সামাজিক পৰম্পৰাৰ বিপক্ষে গৈ নিজৰ মনঃপুত এক জীৱন পদ্ধতি গ্ৰহণ কৰিলে, সি এফালে যেনেকৈ ব্যক্তিবাদী আদৰ্শসম্ভূত, আনফালে তেনেকৈ নাৰীৰ পক্ষে নাৰীবাদী আদৰ্শৰ অন্তৰ্গত।"

অসমৰ নাৰী মুক্তি আন্দোলনৰ অগ্ৰদূত চন্দ্ৰপ্ৰভা শইকীয়ানীৰ 'পিতৃভিঠা' (১৯৩৭) উপন্যাসত নাৰী সমস্যা আৰু অধিকাৰৰ প্ৰশ্নটো অত্যন্ত শক্তিশালীভাৱে উত্থাপিত হৈছে। নায়িকা মাধৱীৰ পিতৃৰ সৰ্বস্ব সম্পত্তি হেৰুওৱাৰ পিছত মাধৱীয়ে এগৰাকী পুত্ৰৰ দৰে সমগ্ৰ পৰিয়ালৰ দায়িত্ব নিজৰ কান্ধত তুলি লয়। পিতৃতান্ত্ৰিক সমাজৰ ধাৰণা আছিল যে কেৱল পুত্ৰইহে পিতৃৰ দায়িত্ব ল'ব পাৰে; কিন্তু মাধৱীয়ে নিজৰ কৰ্মশক্তি আৰু আত্মবিশ্বাসেৰে প্ৰমাণ কৰি দিয়ে যে নাৰী আৰু পুৰুষৰ সত্তা আৰু সামৰ্থ্য কোনো দিশতে পৃথক নহয়।

দণ্ডিনাথ কলিতাৰ আন এখন উপন্যাস 'আৱিষ্কাৰ' (১৯৪৮)ত নাৰীৰ সামাজিক অৱনমন আৰু বেশ্যাবৃত্তিৰ আঁৰৰ সামাজিক কাৰণসমূহ বিশ্লেষণ কৰা হৈছে। নায়ক মাধৱৰ জৰিয়তে নাৰী-পুৰুষৰ পাৰস্পৰিক সহযোগিতাত এখন শোষণমুক্ত সুস্থ সমাজ গঢ়াৰ আহ্বান ইয়াত প্ৰকাশ পাইছে।

## 4. বিংশ শতিকাৰ মধ্যভাগঃ সংঘাত, শোষণ আৰু প্ৰতিবাদ

স্বাধীনতাৰ সমসাময়িক আৰু পৰৱৰ্তী কালৰ উপন্যাসসমূহত নাৰীৰ মানসিক দ্বন্দ্ব আৰু সমাজৰ জটিল শোষণে ঠাই পাইছে। বিৰিঞ্চি কুমাৰ বৰুৱাৰ (বীণা বৰুৱা ছদ্মনামেৰে) 'জীৱনৰ বাটত' (১৯৪৪) উপন্যাসত তগৰ নামৰ এগৰাকী সহজ-সৰল আৰু সহনশীল নাৰীৰ কৰুণ জীৱন চিত্ৰিত হৈছে। আঙুঠি পিন্ধোৱা বিবাহ ভগাৰ পিছত সমাজে আৰু পিতৃয়ে তাইক আন এজনলৈ বিয়া দিয়ে আৰু গোটেই জীৱন তগৰে নিৰৱে নিৰ্যাতন সহ্য কৰে। সমালোচকসকলৰ মতে 'জীৱনৰ বাটত'ত নাৰীৰ সংবেদনশীল ভাৱনা প্ৰকাশ পালেও প্ৰত্যক্ষ নাৰীবাদী প্ৰতিবাদ দেখা নাযায়। কিন্তু ৰাম্না বৰুৱা ছদ্মনামেৰে ৰচিত তেওঁৰ আনখন উপন্যাস 'সেউজী পাতৰ কাহিনী' (১৯৫৯)ত বাগানীয়া সমাজৰ শোষিত শ্ৰেণীৰ প্ৰতিনিধি ছনিয়াৰ চৰিত্ৰত এক তীব্ৰ নাৰীবাদী আৰু প্ৰতিবাদী সত্তা ফুটি উঠিছে। বগা চাহাবৰ কামনাৰ বলি হোৱা মাতৃৰ জীয়ৰী ছনিয়াই চাহাবৰ শোষণৰ বিৰুদ্ধে খং আৰু প্ৰতিশোধৰ ভাৱ লৈ কাৰো ওচৰত মূৰ দোৱাবলৈ অস্বীকাৰ কৰে আৰু স্বতন্ত্ৰভাৱে জীয়াই থকাৰ সংগ্ৰাম কৰে।

ৰাধিকা মোহন গোস্বামীৰ 'চাকনৈয়া' (১৯৫২) ত এগৰাকী শিক্ষিত বিধৱা নাৰী অমলাই পুৰুষতান্ত্ৰিক সমাজত নিজৰ মৰ্যাদা আৰু অধিকাৰৰ প্ৰতিষ্ঠাৰ বাবে চলোৱা জীৱনজোৰা সংগ্ৰাম ফুটি উঠিছে। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'প্ৰতিপদ' উপন্যাসত ডিগবৈ শোধনাগাৰৰ শ্ৰমিক আন্দোলনৰ পটভূমিত পান্নু, লচমী, নয়নমণি আদি চৰিত্ৰৰ জৰিয়তে শ্ৰেণী সংগ্ৰাম আৰু সমাজবাদী নাৰীবাদী চেতনাৰ অপূৰ্ব মিলন ঘটিছে। চিত্ৰলতা ফুকনৰ 'অশ্ৰুকন্যা' (১৯৬৯) ত পিতৃহীনা ৰূপালীৰ কাহিনী আৰু মহিলা সংগঠনৰ জৰিয়তে নাৰীৰ আত্মজাগৰণৰ ছবি স্পষ্ট হৈ উঠিছে।

ভবেন্দ্ৰ নাথ শইকীয়াৰ কালজয়ী উপন্যাস 'অন্তৰীপ' (১৯৮৫) ত নাৰী প্ৰতিশোধ আৰু ব্যক্তিত্বৰ এক অভূতপূৰ্ব ৰূপ দেখা যায়। স্বামী মহীকান্তে আন এগৰাকী নাৰীক বিয়া কৰাই ঘৰ চপোৱাৰ পাছত প্ৰথম পত্নী মেনকাই পুৰুষৰ একাধিপত্য আৰু শোষণক প্ৰত্যাহ্বান জনাই পৰপুৰুষৰ সংস্পৰ্শত আহি সন্তান লাভ কৰে। অসমীয়া সাহিত্যত মেনকাৰ এই সাহসী স্থিতিয়ে প্ৰচলিত নৈতিকতাৰ অন্ধ নিয়মক ভাঙি নাৰীৰ স্বতন্ত্ৰ ব্যক্তিত্বৰ ঘোষণা কৰে।

## 5. মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ ঔপন্যাসিক জগতত নাৰীবাদ

অসমীয়া সাহিত্যত নাৰীবাদী চেতনাৰ সৰ্বাধিক বলিষ্ঠ আৰু গভীৰ প্ৰকাশ ঘটিছে মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ ৰচনাত।

**5.1 মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত নাৰীৰ মুক্তি আৰু যন্ত্ৰণা:** মামণি ৰয়ছম গোস্বামীয়ে সনাতনী সমাজৰ অন্ধ সংস্কাৰ, বিশেষকৈ বিধৱাসকলৰ ওপৰত চলোৱা অকথ্য সামাজিক আৰু মানসিক নিৰ্যাতনক নিৰ্ভীকভাৱে উদঙাই দিছে। তেওঁৰ 'নীলকণ্ঠী ব্ৰজ' (১৯৭৬)ত বৃন্দাবনৰ ৰাধেশ্যামিনী বিধৱাসকলৰ অন্ধকাৰ জীৱন আৰু নায়িকা সৌদামিনীৰ সামাজিক বন্ধনৰ বিৰুদ্ধে প্ৰতিবাদ প্ৰতিফলিত হৈছে। 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' (১৯৮৮) উপন্যাসত সত্ৰীয়া সমাজৰ ব্ৰাহ্মণ বিধৱা গিৰিবালাই সামাজিক নিষিদ্ধতা ভাঙি মাৰ্ক চাহাবৰ প্ৰতি অনুৰাগ প্ৰকাশ কৰি পৰম্পৰাগত প্ৰায়শ্চিত্ত আৰু গোড়ামিক নিজৰ আত্মাহুতিৰ জৰিয়তে প্ৰত্যাহ্বান জনাইছে। ইয়াৰ উপৰিও 'আধা লেখা দস্তাবেজ' (১৯৮৮), 'সংস্কাৰ' (১৯৮৬) আৰু 'ছিন্নমস্তাৰ মানুহটো' (২০০১)ত কামাখ্যাৰ বলি প্ৰথা আৰু ধৰ্মীয় শোষণৰ বিৰুদ্ধে নাৰীৰ প্ৰতিবাদী কণ্ঠ উচ্চাৰিত হৈছে।

**5.2 নিৰুপমা বৰগোহাঞিৰ উপন্যাসত সমাজবাদী আৰু মৌলবাদী নাৰীবাদ:** নিৰুপমা বৰগোহাঞিয়ে নাৰীৰ শোষিত অৱস্থাক অকল জৈৱিক দৃষ্টিৰে নাচায়, বৰঞ্চ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক ব্যৱস্থাৰ সৈতে সাঙুৰি বিশ্লেষণ কৰিছে। তেওঁৰ 'অন্য জীৱন' (১৯৮৭)ত পুৰুষৰ অত্যাচাৰ সহিব নোৱাৰি টুনটুনী নৈত আত্মাহুতি দিয়া ৰন্তা খুড়ীৰ জীয়েক পুতুলীৰ চৰিত্ৰত এক চৰম পুৰুষ-বিৰোধী মৌলবাদী নাৰীবাদী মনোভাৱ দেখা যায়। 'চম্পাৱতী' (১৯৯০)ত স্বামীৰ অৱহেলা আৰু পৰকীয়া প্ৰেমৰ বলি হোৱা চম্পাই সংসাৰ ত্যাগ কৰি বাঁওপন্থী কমিউনিষ্ট মহিলা মৰ্চাত যোগদান কৰি সমাজবাদী নাৰীবাদৰ আদৰ্শ তুলি ধৰিছে। তেওঁৰ জীৱনীভিত্তিক উপন্যাস 'অভিযাত্ৰী' (১৯৯২)ত অগ্নিকন্যা চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱন সংগ্ৰাম, নাৰী মুক্তিৰ আন্দোলন আৰু স্বাধীনতা সংগ্ৰামত নাৰীৰ ভূমিকাক ঐতিহাসিকভাৱে ৰূপায়িত কৰা হৈছে।

## 6. উত্তৰ-আধুনিক পৰ্ব আৰু সাম্প্ৰতিক কালৰ উপন্যাসত নাৰী

বিংশ শতিকাৰ শেষৰ দশকৰ পৰা একবিংশ শতিকালৈকে অসমীয়া উপন্যাসত নাৰী চৰিত্ৰসমূহে নতুন ৰূপ লাভ কৰিছে। অৰূপা পটংগীয়া কলিতাৰ 'মিৰুণালৈ প্ৰেম আৰু বন্দিত্ব' (১৯৯৯) আৰু 'অয়নান্ত' (বাঘশাল বাঘজাল আৰু মানুহ, ২০০০) আদি উপন্যাসত গ্ৰাম্য সমাজত নাৰীৰ ওপৰত থকা অদৃশ্য শৃঙ্খল আৰু বন্দিত্বৰ গভীৰ মনস্তাত্ত্বিক বিশ্লেষণ কৰা হৈছে। তেওঁৰ 'কল্লোলিনী' (২০০১) উপন্যাসৰ নায়িকা জয়িতা এগৰাকী উচ্চশিক্ষিত, আত্মসচেতন নাৰী যিয়ে সমাজ আৰু পৰিয়ালৰ মাজত থাকিও নিজৰ স্বতন্ত্ৰ পৰিচয় বজাই ৰাখিবলৈ দৃঢ়প্ৰতিজ্ঞ।

ৰীতা চৌধুৰীৰ 'দেওলাংখুই' (২০০৫) মধ্যযুগৰ ইতিহাসৰ পটভূমিত ৰচিত এখন অসাধাৰণ উপন্যাস, য'ত বিতাড়িতা ৰাণী চন্দ্ৰপ্ৰভাই নিজৰ যোগ্যতাৰে ৰাজ্যভাৰ চলাই আৰু শেষত আৰিমত্তক গঢ়ি তুলি নিজৰ নাৰী শক্তিক প্ৰতিষ্ঠা কৰে। তেওঁৰ 'জাহ্নৱী' (২০০৬) আৰু 'মায়াবৃন্ত'তো সন্ত্ৰাসজৰ্জৰ অসম আৰু কন্যা সন্তানৰ প্ৰতি সমাজৰ অৱহেলাৰ বিৰুদ্ধে নাৰীৰ অদম্য মনোবল ফুটি উঠিছে। সাম্প্ৰতিক কালত জুৰি বৰা বৰগোহাঞি ('আপোনজনৰ ঠিকনা', 'ৰাগ ইমন', 'ভোক'), গীতালী বৰা, মনালিছা শইকীয়া, অনুৰাধা শৰ্মা আদি লেখিকাসকলে নাৰীৰ শৰীৰ, অৰ্থনীতি, যৌনতা আৰু মনস্তত্ত্বৰ জটিল দিশসমূহ নিৰ্ভীকভাৱে বিশ্লেষণ কৰি অসমীয়া উপন্যাসক বিশ্বজনীন নাৰীবাদী সাহিত্যৰ সমকক্ষ কৰি তুলিছে।

## সিদ্ধান্ত:

সামৰণিত ক'ব পাৰি যে অসমীয়া উপন্যাসত নাৰীবাদী চেতনাৰ উন্মেষ আৰু বিকাশ কোনো আকস্মিক ঘটনা নহয়, বৰঞ্চ ই অসমৰ সমাজ-ইতিহাস, শিক্ষা আৰু সাংস্কৃতিক ৰূপান্তৰৰ এক অবিচ্ছেদ্য প্ৰতিফলন। উনবিংশ শতিকাৰ 'ভানুমতী'ৰ পৰা আৰম্ভ কৰি একবিংশ শতিকাৰ আধুনিক উপন্যাসসমূহলৈকে নাৰী চৰিত্ৰসমূহ নিৰৱ সহনশীলতাৰ পৰা ওলাই আহি প্ৰতিবাদ, আত্মপ্ৰতিষ্ঠা আৰু নেতৃত্বৰ অধিকাৰী হৈ উঠিছে। পিতৃ, স্বামী বা পুত্ৰৰ নিৰ্ভৰশীলতাৰ পৰা মুক্ত হৈ এগৰাকী পূৰ্ণাংগ মানৱসত্তা হিচাপে নিজৰ অস্তিত্ব সাব্যস্ত কৰাৰ এই যাত্ৰাই অসমীয়া উপন্যাস সাহিত্যক এক অনন্য মাত্ৰা প্ৰদান কৰিছে।

## References


1. অধিকাৰী, শুকদেৱ। নাৰীবাদ আৰু অসমীয়া উপন্যাস। প্ৰথম প্ৰকাশ। গুৱাহাটী: সৰস্বতী ডি. এন. প্ৰকাশন, ২০১৫। মুদ্ৰিত।
2. গগৈ, লীলা (সম্পা.)। আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়। তৃতীয় সংস্কৰণ। ডিব্ৰুগড়: বনলতা, ২০১৩। মুদ্ৰিত।
3. গগৈ, মন্দিৰা। অসমীয়া উপন্যাসৰ নাৰী চৰিত্ৰ। প্ৰথম প্ৰকাশ। গুৱাহাটী: পূৰ্বাঞ্চল প্ৰকাশ, ২০১৭। মুদ্ৰিত।
4. ঠাকুৰ, নগেন (সম্পা.)। এশ বছৰৰ অসমীয়া উপন্যাস। প্ৰথম সংস্কৰণ। গুৱাহাটী: জ্যোতি প্ৰকাশন, ২০০০। মুদ্ৰিত।
5. দাস, মঞ্জুমালা। নাৰী আৰু অন্যান্য। প্ৰথম প্ৰকাশ। গুৱাহাটী: বনলতা, ২০২১। মুদ্ৰিত।
6. দেৱী, মীৰা। অসমীয়া উপন্যাসৰ নাৰীবাদ। প্ৰথম প্ৰকাশ। গুৱাহাটী: লোকায়ত প্ৰকাশন, ১৯৯৬। মুদ্ৰিত।
7. মহন্ত,অপৰ্ণা।নাৰীবাদ।প্ৰথম সংস্কৰণ।ডিব্ৰুগড় বিশ্ববিদ্যালয়,২০১৮।মুদ্ৰিত।
8. শৰ্মা, গোবিন্দ প্ৰসাদ। উপন্যাস আৰু অসমীয়া উপন্যাস। দ্বিতীয় সংস্কৰণ। গুৱাহাটী: ষ্টুডেন্ট ষ্টৰ, ২০০৯। মুদ্ৰিত।
9. উল্লেখিত, নাৰীবাদ আৰু অসমীয়া উপন্যাস। চতুৰ্থ সংস্কৰণ। গুৱাহাটী: অসম প্ৰকাশন পৰিষদ, ২০২১। মুদ্ৰিত।
10. শৰ্মা, সত্যেন্দ্ৰনাথ। অসমীয়া উপন্যাসৰ গতিধাৰা। তৃতীয় সংস্কৰণ। গুৱাহাটী: সৌমাৰ প্ৰকাশ, ২০১০। মুদ্ৰিত